# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-08-2025
**Time : 1715** hrs

## *Assamese Evening Bulletin*

000000

বিশ্ব সংস্কৃত দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জনাইছে। শাওণৰ পৱিত্ৰ পূৰ্ণিমা তিথিত পালন কৰা সংস্কৃত দিৱসৰ লগত সংগতি ৰাখি যোৱা এটা দশকত জনসাধাৰণৰ মাজত সংস্কৃত ভাষাক জনপ্ৰিয় কৰি তুলিবলৈ চৰকাৰে বিভিন্ন কাম হাতত লৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সংস্কৃত বিশ্ববিদ্যালয়সমূহৰ উপৰি সংস্কৃত শিক্ষণ কেন্দ্ৰ, সংস্কৃত পণ্ডিত গৱেষকলৈ সাহায্য প্ৰদান আৰু সংস্কৃত পুথিসমূহ ডিজিটেল কৰাৰ বাবে জ্ঞান ভাৰতম অভিযান আৰম্ভ কৰিছে।

বজালী সংস্কৃত পৰিষদৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো বিভিন্ন কাৰ্যসূচীৰে সংস্কৃত দিৱস উদযাপন কৰা হৈছে। পাঠশালাৰ হৰিমন্দিৰ প্ৰাঙ্গনত পৰিষদৰ অধ্যক্ষ ড০ খগেন্দ্ৰ নাথ দেৱশৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত আজি গণকপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক ভৱেশ চন্দ্ৰ শৰ্মাক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত পাঠশালা বজাৰ কমিটীৰ সভাপতি গিৰিশ পাটগিৰি, কদমতলা হাইস্কুলৰ সংস্কৃত শিক্ষক ৰূপাংক ভট্টাচাৰ্য আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি অংশগ্ৰহণ কৰে। তদুপৰি, বজালী জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সংস্কৃত বিষয়ত ৮৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এই বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী আৰু স্নাতক পৰ্যায়ৰ চূড়ান্ত পৰীক্ষাত সংস্কৃত মুখ্য বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীক আজিৰ এই অনুষ্ঠানত পুৰস্কৃত কৰা হয়।

0000

ভাতৃ-ভগ্নীৰ মাজৰ স্নেহ আৰু বিশ্বাসৰ পৱিত্ৰ বান্ধোনৰ উৎসৱ ৰাখী বন্ধন আজি দেশজুৰি পালন কৰা হৈছে। এই উপলক্ষে ভগ্নীসকলে পৰম্পৰাগত ৰীতি অনুসৰি ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। বিনিময়ত ভাতৃসকলেও ভগ্নীসকলৰ সুৰক্ষাৰ পণ লোৱাৰ লগতে স্নেহৰ চিনস্বৰূপে উপহাৰ আগবঢ়ায়। ৰাখী বন্ধন উপলক্ষে আজি গোৱালপাৰা জিলাৰ শাস্ত্ৰী নগৰত থকা চি আৰ পি এফৰ ১৫২ নম্বৰ শিবিৰত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ভগ্নীসকলে জোৱানসকলক

ৰাখী পিন্ধায়। একেদৰে বিজেপিৰ গোৱালপাৰা চহৰ মণ্ডলৰ সভানেত্ৰী অপৰূপা নাথৰ নেতৃত্বত মহিলাসকলে আৰক্ষী আৰু গোৱালপাৰাৰ সাংবাদিকসকলক ৰাখী পিন্ধায়। দক্ষিণ শালমাৰা মানকাচৰ জিলা মহিলা মৰ্চাৰ উদ্যোগত আজি উলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়। দেশৰ নিৰাপত্তাৰ বাবে ভাৰত-বাংলাদেশ সীমান্তত নিয়োজিত সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলক মহিলাসকলে ৰাখী পিন্ধাই এই দিৱস পালন কৰে। উল্লেখযোগ্য যে জিলাখনৰ সীমান্ত চেতনা মঞ্চই প্ৰতিবছৰে এই কাৰ্যসূচী পালন কৰি আহিছে। পশ্চিম কাৰ্বিআংলং জিলাৰ বৈঠালাংছ'ৰ লাংপি শিশু বিদ্যা নিকেতনৰ শিক্ষাৰ্থীসকলে আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ ডেল্টা কোম্পানীৰ জোৱানসকলক ৰাখী পিন্ধায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাখী বন্ধন উপলক্ষে ৰাজ্যবাসীক ওলগ জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বৰ্তমান চৰকাৰে ৰাজ্যৰ প্ৰতিগৰাকী ভগ্নীৰ সুৰক্ষাৰ প্ৰতি দায়বদ্ধতাৰে কাম কৰি যাব বুলি উল্লেখ কৰে।

0000

শৰাইঘাটৰ পুৰণি দলংখন আজি নিশা ১০ বজাৰ পৰা কাইলৈ পুৱা ৫ বজালৈ বন্ধ ৰখা হ'ব। মেৰামতিৰ কামৰ বাবে এই সময়ছোৱাত দলংখনেৰে যাতায়াত বন্ধ থাকিব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দলংখনৰ বিভিন্ন স্থানত হোৱা গাঁতৰ পৰিপ্ৰেক্ষিতত বিগত বহুদিন ধৰি যান-জঁটৰ সৃষ্টি হৈ আহিছে। এই সময়ছোৱাত সামগ্ৰী আৰু যাত্ৰী পৰিবাহী সকলো বাহনৰ চলাচল দলংখনেৰে বন্ধ থাকিব বুলি গুৱাহাটী যানবাহন শাখাৰ আৰক্ষী আয়ুক্তই এখন বিবৃতিযোগে প্ৰকাশ কৰিছে।

0000

গুৱাহাটীত আজিৰে পৰা ২১ আগষ্টলৈ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত হস্ত নিৰ্মিত শিল্প কৰ্ম, জনগোষ্ঠীয় বস্ত্ৰশিল্প, জৈৱিকভাৱে উৎপাদিত সামগ্ৰী প্ৰদৰ্শন আৰু মত বিনিময় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কালি ভাৰতীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আয়োগৰ উত্তৰ-পূব মণ্ডলৰ এটা প্ৰতিনিধি দলে কৃষি মন্ত্ৰী অতুল বৰাক গুৱাহাটীৰ জনতা ভৱনত সাক্ষাত কৰি এই প্ৰদৰ্শনী সন্দৰ্ভত আনুষ্ঠানিকভাৱে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে এই পদক্ষেপে নতুন উদ্যমীসকলক উদ্যোগ খণ্ডলৈ অধিক আকৰ্ষিত কৰিব বুলি আশা কৰিব পাৰি। তেওঁ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগখণ্ডক শক্তিশালী কৰিব পৰা এই পদক্ষেপৰ বাবে আয়োগৰ দলটোক ধন্যবাদ জ্ঞাপন কৰে।

0000

সাংবাদিক কমলা শইকীয়া স্মাৰক ন্যাসৰ উদ্যোগত আজি গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত সাংবাদিক কমলা শইকীয়া স্মাৰক বক্তৃতা আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ন্যাসৰ উপ-সভাপতি সঞ্জীৱ ফুকনে কয়, যে আজি কমলা শইকীয়া ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকীত যশস্বী সাংবাদিক, লেখক, গৱেষক, মানৱাধিকাৰ প্ৰবক্তা সঞ্জয় হাজৰিকাই স্মাৰক বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানত প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী আৰু চিত্ৰশিল্পী, কাৰ্টুনিষ্ট চম্পক বৰবৰাক ন্যাসৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'ব।

00000

সমাপ্ত